প্ৰেছ বিজ্ঞপ্তি
৪ জুলাই, ২০১৮

## নকল ই-মেইলৰ বিষয়ে আৰ বি আইৰ সতৰ্কীকৰণ

ভাৰতীয় ৰিজাৰ্ভ বেংকে, আৰ বি আইৰ নামটো ব্যৱহাৰ কৰি অসাধু চক্ৰই চলাই থকা কাৰ্যকলাপ আৰু সৰ্বসাধাৰণ ৰাইজক প্ৰৱঞ্চনা কৰাৰ বিষয়ে সময়ে সময়ে সতৰ্ক কৰি আহিছে। এনে শক্তিবোৰে আৰ বি আইৰ জাল লেটাৰ হেড ব্যৱহাৰ কৰে, আৰ বি আইৰ কৰ্মচাৰী বুলি ভুৱা পৰিচয় দি ই-মেইল পঠিয়ায় আৰু জনসাধাৰণক মিছাকৈ ধন দিয়াৰ/ লটাৰী জিকাৰ/অন্য দেশৰ পৰা বিদেশী মুদ্ৰাত সস্তাতে পুঁজি স্থানান্তৰৰ প্ৰলোভন দিয়ে। লক্ষ্য কৰি লোৱা লোকক কাৰেন্সি প্ৰচেছিং ফিজ, বিদেশী মুদ্ৰা সলনি কৰাৰ মাচুল, আগতীয়া প্ৰদান আদি দিবলৈ কোৱা হয়। এনে নকল ই-মেইলৰ বিষয়ে জনসাধাৰণক সজাগ কৰিবৰ কাৰণে আৰ বি আয়ে ৰাজহুৱা সজাগতা অভিযানৰ যোগেদি ৰাইজলৈ ই-মেইলযোগে, বিজ্ঞাপন প্ৰচাৰ আৰু সজাগতা চলচ্চিত্ৰ প্ৰচাৰৰ দৰে ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

আৰ বি আয়ে নিম্নোক্তখিনি পুনৰবাৰ দোহাৰে-

- আৰ বি আয়ে ব্যক্তিৰ বাবে কোনো একাউণ্ট ধাৰণ নকৰে।
- আৰ বি আই কৰ্মচাৰীৰ ভেশধাৰীৰ প্ৰতি সতৰ্ক হওক।
- লটাৰী জিকা/বিদেশৰ পৰা টকা অহাৰ বিষয়ে আৰ বি আইৰ পৰা কোনেও ফোন নকৰে।
- লটাৰী পোৱাৰ বিষয়ে জনাই আৰ বি আয়ে ই-মেইল নপঠায়।
- লটাৰী পোৱা বা বিদেশৰ পৰা ধন অহাৰ বিষয়ে ভুৱা প্ৰলোভন দি আৰ বি আয়ে কোনো SMS বা চিঠি বা ই-মেইল নপঠায়।
- ভাৰতীয় ৰিজাৰ্ভ বেংকৰ একমাত্ৰ আৰু প্ৰকৃত ৱেবছাইট হল (https://www.rbi.org.in https://rbi.org.in)। জনসাধাৰণক সতৰ্ক কৰা হল যাতে Reserve Bank, 'RBI' আৰম্ভণিৰে ভুৱা লগ'সহ অনুৰূপ ঠিকনাযুক্ত ভুৱা ৱেবছাইটত ভোল নাযায়।
- এনে প্ৰৱঞ্চনাৰ বিষয়ে তৎক্ষণাত স্থানীয় আৰক্ষী বা চাইবাৰ অপৰাধ প্ৰাধিকৰণক জনাওক।

এনে ব্যক্তি/ সত্ত্বাৰ পৰা পোৱা কোনো যোগাযোগৰ সঁহাৰি নিদিবলৈ আৰু আৰ বি আইৰ নামত অহা প্ৰৱঞ্চনামূলক ই-মেইলত ভোল নাযাবলৈ জনসাধাৰণক আহ্বান জনোৱা হল।

জোছ. জে. কাট্টুৰ

প্ৰেছ বিজ্ঞপ্তি - ২০১৮-১৯/৩৪ মুখ্য মহা প্ৰবন্ধক

| সম্বন্ধিত প্ৰেছ বিজ্ঞপ্তি/অধিসূচনাবোৰ | |
|---|---|
| ১২ জুন, ২০১৮ | আৰ বি আইৰ ৱেবছাইট বাদে অন্য সূত্ৰৰ পৰা অহা নিয়োগ সম্পৰ্কীয় যোগাযোগ সম্পৰ্কে চাকৰি প্ৰত্যাশীক আৰ বি আইৰ সতৰ্কীকৰণ |
| ৮ ফেব্ৰুৱাৰী, ২০১৮ | আৰ বি আইৰ নামত ভুৱা ৱেবছাইট সম্পৰ্কে আৰ বি আইৰ সতৰ্কীকৰণ |
| ১১ এপ্ৰিল, ২০১৫ | All Bank Balance Enquiry **এপৰ ক্ষেত্ৰত আৰ বি আইৰ সতৰ্কীকৰণ** |
| ১ জানুৱাৰী, ২০১৫ | মাল্টিলেভেল মাৰ্কেটিং কাৰ্যকলাপৰ বিৰুদ্ধে ৰাইজক আৰ বি আইৰ সতৰ্কীকৰণ |
| ২১ নৱেম্বৰ, ২০১৪ | আৰ বি আইৰ নামত ক্ৰেডিট কাৰ্ডঃ ইয়াৰ নামত চলোৱা নতুনতম ধৰণৰ জালিয়াতিৰ বিৰুদ্ধে জনসাধাৰণক আৰ বি আইৰ সতৰ্কীকৰণ |
| ২৬ মে, ২০১৪ | ইয়াৰ নামত ভুৱা ৱেবছাইটৰ বিষয়ে আৰ বি আইৰ সতৰ্কীকৰণ |
| ১৫ অক্টোবৰ, ২০১২ | আৰ বি আইৰ নামত পঠোৱা ফিশ্বিং মেইলৰ সঁহাৰি নিদিবলৈ ৰাইজক ৰিজাৰ্ভ বেংকৰ সতৰ্কীকৰণ |
| ১৪ ছেপ্তেম্বৰ, ২০১২ | আপোনাৰ ইণ্টাৰনেট বেংকিং একাউণ্টৰ তথ্য বিচৰা মেইলৰ সঁহাৰি নিদিব – আৰ বি আইৰ ৰাইজক সতৰ্কীকৰণ |
| ২১ মে, ২০১২ | ফিশ্বিং মেইল সম্পৰ্কে আৰ বি আইৰ সতৰ্কীকৰণ |
| ৬ জানুৱাৰী, ২০১২ | জাল প্ৰস্তাৱৰ বিৰুদ্ধে জনসাধাৰণক আৰ বি আইৰ পুনৰবাৰ সতৰ্কীকৰণ |
| ৫ এপ্ৰিল, ২০১১ | আৰ বি আয়ে কেতিয়াও আপোনাৰ বেংক একাউণ্টৰ সবিশেষ নিবিচাৰে |
| ১৫ ফেব্ৰুৱাৰী, ২০১১ | বিদেশৰ পৰা বৃহৎ পৰিমাণৰ ধন পাবলৈ কাকো ধন নিদিব – আৰ বি আইৰ দিহা |
| ২৮ মে, ২০১০ | টকা স্থানান্তৰৰ ভুৱা প্ৰস্তাৱৰ চিকাৰ নহব – আৰ বি আইৰ দিহা |
| ২৬ মে, ২০১০ | লটাৰী, টকা প্ৰচলন আঁচনি, সহজে টকা পোৱাৰ ভুৱা প্ৰস্তাৱত অংশগ্ৰহণৰ কাৰণে টকা প্ৰেৰণ |
| ২০ জুলাই, ২০০৯ | জাল প্ৰস্তাৱ/লটাৰী জিকা/সহজে টকা পোৱাৰ ভুৱা প্ৰস্তাৱৰ বিৰুদ্ধে সতৰ্ক হওক |
| ৭ ডিচেম্বৰ, ২০০৭ | বিদেশৰ পৰা সহজে টকা পোৱাৰ ভুৱা প্ৰস্তাৱৰ বিৰুদ্ধে জনসাধাৰণক আৰ বি আইৰ সতৰ্কীকৰণ |